জাতীয় দায়বদ্ধতাৰে মাতৃভাষা দিৱস উদ্‌যাপন




# যোৰহাটত ২৭ জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা

প্ৰতিদিন সংবাদ, যোৰহাট, ২১ ফেব্ৰুৱাৰী ঃ অসমৰ গাঁৱে-ভূঞে ইখনৰ পিচত সিখনকৈ ব্যক্তিগত খণ্ডৰ ইংৰাজী

■ ১০ পৃষ্ঠাত



## নুনমাটিৰ জাতীয় বিদ্যালয়ত ড° গোহাঁই ঃ মাতৃভাষা একোটা জাতিৰ প্ৰাণৰক্ষাৰ বাবে অপৰিহাৰ্য

গুৱাহাটীৰ প্ৰতিদিন মহানগৰ সেৱা, , ২১ ফেব্ৰুৱাৰী ঃ 'ভাষা যোগাযোগৰ মাধ্যম। এই মাধ্যমৰ প্ৰতি আমি দায়িত্বশীল হ'ব লাগিব। কেৱল মাতৃভাষা বুলি চিঞৰ-বাখৰ কৰিলেই নহ'ব। আদৰ-যতনো কৰিব লাগিব। মাতৃভাষাৰ প্ৰতি যদি আমাৰ আদৰ আছে, তেন্তে সেয়া আমি কামে-কাজে দেখুৱাব লাগিব।' মাতৃভাষাৰ সংৰক্ষণ, সংবৰ্ধন তথা বহু ভাষাবাদৰ প্ৰসাৰৰ উদ্দেশ্যে আজি গুৱাহাটীৰ নুনমাটিত থকা অসম জাতীয় বিদ্যালয়ত উদ্‌যাপন কৰা আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ কাৰ্যসূচীত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁয়ে ভাষণ প্ৰসংগত এইদৰে কয়। বিয়লি প্ৰায় ৪ বজাত বিদ্যালয়খনত অনুষ্ঠিত এই অনুষ্ঠানত মুখ্য বক্তাৰ ভাষণত তেওঁ মাতৃভাষা মাতৃদুগ্ধৰ দৰে একোটা জাতিৰ প্ৰাণ ৰক্ষাৰ বাবে অপৰিহাৰ্য বুলি মন্তব্য কৰে। বিদ্যালয়খনৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত ভাষণ প্ৰসংগত বিশিষ্ট বুদ্ধিজীৱী গোহাঁয়ে স্বাধীনতাৰ ৭০ বছৰ পিচতো আমাৰ জনসাধাৰণৰ ২৬ শতাংশ নিৰক্ষৰ বুলি কয়। এই কথা বাতৰি কাকতত সবিস্তাৰে প্ৰকাশ পোৱা বুলি কোৱা বুদ্ধিজীৱীগৰাকীয়ে সম্প্ৰতিও ৰাজ্যৰ ৪০ শতাংশ মহিলা নিৰক্ষৰ বুলি উল্লেখ কৰে। ১২ বছৰ বয়স পোৱাৰ আগতেই ৰাজ্যখনৰ ১৫ শতাংশ আৰু ছোৱালীৰ ১৪ শতাংশই ঘাইকৈ অৰ্থনৈতিক কাৰণত স্কুল এৰি দিয়ে। সমগ্ৰ দেশৰ গ্ৰামাঞ্চলত ৩৩ শতাংশ আৰু চহৰৰ ৩৮ শতাংশ ৫ বছৰৰ পৰা ২১ বছৰৰ ছাত্ৰ-ছাত্ৰীয়ে একে কাৰণতে শিক্ষা সম্পূৰ্ণ কৰাৰ সপোন সামৰিবলগা হয়। ২০০০ চনৰ (আনকি ডি পি ই পিৰ অধীনত ১৯৯৩ বৰ্ষ) পৰা চলোৱা সৰ্বশিক্ষা অভিযানত হেজাৰ-বিজাৰ কোটি টকা খৰচ কৰা হ'ল। ২০১১-১২ চনতে ২১,০০০ কোটি টকা খৰচ কৰা হ'ল। দেশৰ ভৱিষ্যৎ ব্যৱসায়ী মহলৰ হাতত গতাই দিয়াৰ নীতি লোৱাৰ ফলতে এই বৃহৎ কাৰ্যসূচীৰ সৰহভাগেই ঘৰ সলোৱা, পাঠ্যপুথি ছপা কৰা, সা-সৰঞ্জাম যোগাৰ দিয়া আদি কামত ব্যয় হ'ল। শিক্ষাৰ বাবে যিটো মূল কথা, ভাল শিক্ষক নিযুক্তি, তাক চূড়ান্তভাৱে অৱহেলা কৰা হ'ল। অস্থায়ী ঠিকা ভিত্তিত শিক্ষক নিযুক্তিত গুৰুত্ব দিয়াৰ উপৰি নিম্ন শৈক্ষিক অৰ্হতাৰ লোকক শিক্ষামিত্ৰ হিচাপে শিক্ষকতাত নিযুক্তি দিয়া হ'ল। আনকি অংগনবাড়ী কৰ্মীকো শিক্ষাৰ কামত নিয়োগ কৰা হ'ল। তদুপৰি মধ্যাহ্ন ভোজনৰ কামতো শিক্ষকক লগোৱাৰ ফলত সাধাৰণ শিক্ষাৰ ১২টা বাজিল বুলি আজিৰ অনুষ্ঠানত ভাষণ প্ৰসংগত ড° গোহাঁয়ে ব্যক্ত কৰে। দেশ আৰু দহৰ সাধাৰণ প্ৰগতিৰ বাবে আমাৰ শিক্ষা ব্যৱস্থা আৰু দায়বদ্ধ হৈ থকা নাই। এচামক নামী-দামী শিক্ষা দিয়া হৈছে, দহজনৰ জীৱনৰ উন্নতি সাধনৰ বাবে নহয়। কেতবোৰ ধনকুবেৰৰ সম্পদ আৰু মুনাফা বৃদ্ধিৰ বাবে। ইয়াৰ বাবে সৰ্বসাধাৰণৰ জাতিৰ, দেশৰ শ্ৰীবৃদ্ধি হোৱাৰ আশা নাই বুলি ভাষণ প্ৰসংগত তেওঁ কয়। আনহাতে প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাই মাতৃভাষা সন্দৰ্ভত ব্যক্তিগত অভিজ্ঞতা ব্যক্ত কৰে। অভিধান প্ৰণেতা তথা বিশিষ্ট লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে আজিৰ এই অনুষ্ঠানত অভিধান, উচ্চাৰণ আৰু বৰ্তমানৰ ধাৰা প্ৰসংগত ৰসাল অথচ তত্বগধুৰ বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট কবি নীলিম কুমাৰে স্বৰচিত কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। এই বক্তৃতানুষ্ঠান সঞ্চালনা কৰে অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। মাতৃভাষা দিৱসৰ এই অনুষ্ঠানত আজি ৰাজ্যখনৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

অসমীয়া প্ৰতিদিন ২২ ফেব্ৰুৱাৰী ২০১৮
পৃষ্ঠা নং - ১, ১০

### নুনমাটি জাতীয় বিদ্যালয়ত ভাষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদক স্মৰণ

# আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন

মহানগৰ বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ মাতৃভাষাৰ সংৰক্ষণ, সংবৰ্দ্ধন তথা বহু ভাষাবাদৰ প্ৰসাৰৰ উদ্দেশ্যে আজি মহানগৰীৰ বিভিন্ন প্ৰান্তত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন কৰা হয়। নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত আন্তৰ্জাতিক মাতৃভাষা দিৱসত বন্তি প্ৰজ্বলন কৰে অধ্যক্ষ ধনশ্যাম মেধিয়ে। বিশ্বৰ বিভিন্ন প্ৰান্তত মাতৃভাষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলক সুঁৱৰি মৌন প্ৰাৰ্থনা জনোৱাৰ পাছত মাতৃভাষা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কুমাৰ বৰাই। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক ড° হীৰেন গোহাঁয়ে মাতৃভাষা মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণৰক্ষাৰ বাবে অপৰিহাৰ্য বুলি মন্তব্য কৰে। লগতে তেওঁ আৰু কয় যে গছ-গছনিৰ বাবে সূৰ্যৰ পোহৰ আৰু পানী যিদৰে প্ৰয়োজনীয়, ঠিক সেইদৰে জাতি এটাৰ বাবে মাতৃভাষাৰো সমানে প্ৰয়োজন। আনহাতে অনুষ্ঠানত প্ৰদীপ বৰুৱা, বিশিষ্ট বিজ্ঞান লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ উচ্চাৰণ আৰু বৰ্তমানৰ ধাৰা প্ৰসংগত তত্ত্বমধুৰ ভাষণ আগবঢ়ায়। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে আঁত ধৰা আৰু ডাঃ নাৰায়ণ শৰ্মাই পৰিচালনা কৰা অনুষ্ঠানত কবি নীলিম কুমাৰে পাঠ কৰা কবিতাই উপস্থিতসকলক আপ্লুত কৰে। ইফালে সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'আমাৰ অনন্য অসম'ৰ উদ্যোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত আন্তৰ্জাতিক মাতৃভাষা উদযাপন কৰা হয়। 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত বিশিষ্ট ভাষাবিদ তথা গৱেষক পণ্ডিত টাবু টাইদে মিচিং ভাষাৰ সংৰক্ষণ আৰু ভাষা সমন্বয় সম্পৰ্কত আলোকপাত কৰে। একেদৰে অসমীয়া ভাষা আৰু বড়ো ভাষাৰ সংৰক্ষণ-সমন্বয় সম্পৰ্কত বক্তব্য আগবঢ়ায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচামে। একেটা অনুষ্ঠানতে বাংলা ভাষা আৰু অসমীয়াৰ সমন্বয় সম্পৰ্কত পাণ্ডু কলেজৰ বাংলা বিভাগৰ অধ্যাপক শান্তনু ৰায় চৌধুৰীয়ে বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন ভাষাৰ কবিতা পাঠ কৰাৰ লগতে সংগীত পৰিৱেশন কৰে। আনহাতে কালি কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত বিশিষ্ট ভাষাবিদ বিশ্বেশ্বৰ হাজৰিকাই মাতৃভাষাক প্ৰত্যেক মানুহৰ বিকাশৰ প্ৰথম স্তৰ বুলি মন্তব্য কৰে। সভাত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ভবেশ চন্দ্ৰ গোস্বামীয়ে মাতৃভাষাৰ তাৎপৰ্য ব্যাখ্যা কৰে। অসমীয়া ভাষাৰ প্ৰয়োগ সম্পৰ্কত বক্তব্য আগবঢ়ায়। অধ্যাপক লুটফা হানুম ছেলিমা বেগমৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাৰ উত্তৰোত্তৰ কামনাৰে শপতবাক্য পাঠ কৰে।




নিয়মীয়া বাৰ্তা ২২ ফেব্ৰুৱাৰী ২০১৮
পৃষ্ঠা নং - ৭

শ্ৰেণী .................... শাখা ........... ৰোল নম্বৰ ............

## ■ মাতৃভাষা মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণৰক্ষাৰ বাবে অপৰিহাৰ্য ঃ অসম জাতীয় বিদ্যালয়ৰ অনুষ্ঠানত ড° হীৰেন গোহাঁই

চানমাৰিৰ প্ৰতিবেদক ঃ গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ে বুধবাৰে উদ্‌যাপন কৰে আন্তৰ্জাতিক মাতৃভাষা দিৱস। বিদ্যালয় চৌহদত অনুষ্ঠিত মাতৃভাষা দিৱস উদ্‌যাপন অনুষ্ঠানত 'মাতৃভাষা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁয়ে কয়— 'মাতৃভাষা মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণৰক্ষাৰ বাবে অপৰিহাৰ্য। আমি কেৱল মাতৃভাষা বুলি চিঞৰ-বাখৰ কৰিলেই নহ'ব, মাতৃভাষাৰ আদৰ-যত্নও কৰিব লাগিব। মাতৃভাষা ৰক্ষাৰ বাবে হাতে-কামে সকলো জড়িত হ'ব লাগিব। যি মাতৃভাষাৰ জৰিয়তে আমি নিজকে চিনি পাইছোঁ, সেই ভাষাটো নষ্ট হ'বলৈ দিলে আমাৰ নিজৰে ক্ষতি হ'ব। সমাজ-চৰকাৰে মাতৃভাষা ৰক্ষা কৰিবলৈ যত্ন কৰিব লাগিব। অন্যথা নিজে নিজে এটা ভাষা সজীৱ হৈ নাথাকে।' ৰাজ্যৰ চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয় সন্দৰ্ভত ড° গোহাঁয়ে কয়— 'সৰ্বশিক্ষা অভিযানত চৰকাৰে হাজাৰ হাজাৰ টকা খৰচ কৰিলে। কিন্তু শিক্ষাৰ মূল কথাক অৱহেলা কৰিলে। বহু বিদ্যালয়ত অস্থায়ী, ঠিকাভিত্তিক অথবা নিম্ন অৰ্হতাসম্পন্ন শিক্ষক নিযুক্তি দিয়া হ'ল। ফলত শিক্ষাহীনতাৰ বাবে এতিয়া বহু যুৱক-যুৱতীয়ে হীনমন্যতাৰে জীৱন কটাবলগীয়া হৈছে। বিগত দুই দশকত চৰকাৰী পক্ষই শিক্ষকৰ ভেটি জুৰুলা কৰি পেলাইছে। শিক্ষামন্ত্ৰীয়ে তেওঁৰ দিনতে নিযুক্তি দিয়া শিক্ষকসকলক এতিয়া মাতি আনি দোষাৰোপ কৰিছে। নমামি ব্ৰহ্মপুত্ৰৰ নামত ৫৬ কোটি টকা খৰচ কৰা এই চৰকাৰে কিন্তু শিক্ষকক দিব নোৱাৰে দৰমহা। শিক্ষকৰ বাবে চৰকাৰ সজাগ নহয়। এই চৰকাৰে কেৱল অজ্ঞ লোকক চমক দিবলৈ ঢাক-ঢোল কোবাই আছে।' ভাষণত ড° গোহাঁয়ে ইংৰাজী ভাষাৰ লগতে সন্তানক মাতৃভাষাৰ শিক্ষা প্ৰদান কৰিবলৈ অভিভাৱকক আহ্বান জনায়। অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই সঞ্চালনা কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ লৈ 'প্ৰান্তিক' আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱাই কয়— মাতৃভাষাৰ ওপৰত শিশুৰ অধিকাৰ আছে। মাতৃৰ পৰা শিকা ভাষা আজীৱন ৰৈ যায়। সকলো শিশুকে প্ৰথমেই মাতৃভাষাৰ জ্ঞান দিব লাগে। সমগ্ৰ বিশ্বই আজি মাতৃভাষাৰ ওপৰত গুৰুত্ব দিছে যদিও এতিয়াও অসমবাসীয়ে এই সন্দৰ্ভত সচেতন হোৱা নাই বুলিও উল্লেখ কৰে বৰুৱাই। ইফালে, অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী, শিক্ষাবিদ ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে আমি কষ্ট কৰি অসমীয়া ভাষাক মৰিবলৈ দিছোঁ বুলি উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট কবি নীলিম কুমাৰে স্ব-ৰচিত কেইবাটাও কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। উল্লেখ্য, বিদ্যালয়খনৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলে সমৱেত সংগীত পৰিৱেশন কৰে। ইফালে, আন্তৰ্জাতিক মাতৃভাষা দিৱস উপলক্ষে বুধবাৰে বিদ্যালয়খনৰ চৌহদত অসমীয়া সাহিত্যৰ বহু বৰেণ্য ব্যক্তিৰ প্ৰতিচ্ছবি আৰু উক্তি প্ৰদৰ্শন কৰা হয়। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে আঁত ধৰা অনুষ্ঠানত অসমীয়া ভাষা-সাহিত্যৰ লগত জড়িত বহু বিশিষ্ট ব্যক্তিৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষাৰ্থীসকল উপস্থিত থাকে।

আমাৰ অসম ২২ ফেব্ৰুৱাৰী-২০১৮
ক্ৰমিক নং-৮

অসম জাতীয় বিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱসত ড° হীৰেন গোহাঁই

# মাতৃভাষা-মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণৰক্ষাৰ বাবে অপৰিহাৰ্য

মহানগৰ খবৰ, ২১ ফেব্ৰুৱাৰী : মাতৃভাষাৰ সংৰক্ষণ, সংবৰ্ধন তথা বহু ভাষাবাদৰ প্ৰসাৰৰ উদ্দেশ্যে বিশ্বজুৰি পালন কৰি অহা আন্তৰ্জাতিক মাতৃভাষা দিৱস আজি গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়তো উদযাপন কৰা হয়। বিদ্যালয় প্ৰাংগণত বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। বিশ্বৰ ভিন্ন প্ৰান্তত নিজ মাতৃভাষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলক সুঁৱৰি মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছত মাতৃভাষা দিৱসৰ পটভূমি তথা বৰ্তমানৰ প্ৰাসংগিকতাৰ বৰ্ণনাৰে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানৰ মূল বক্তৃতা প্ৰদান কৰে ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী তথা সাহিত্য সমালোচক ড° হীৰেন গোহাঁয়ে। ভাষণ প্ৰসংগত গোহাঁয়ে মাতৃভাষা মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণ ৰক্ষাৰ বাবে অপৰিহাৰ্য বুলি মন্তব্য কৰি গছ-গছনিৰ বাবে সূৰ্যৰ পোহৰ আৰু পানী যেনেকুৱা ঠিক তেনেধৰণৰ বুলি উল্লেখ কৰে। আনহাতে প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাই মাতৃভাষাৰ সন্দৰ্ভত ব্যক্তিগত অভিজ্ঞতা ব্যক্ত কৰে। অভিধান প্ৰণেতা তথা বিশিষ্ট বিজ্ঞান লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে অভিধান, উচ্চাৰণ আৰু বৰ্তমানৰ ধাৰাৰ প্ৰসংগত সৰল অথচ তত্ত্বপূৰ্ণ বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট কবি নীলিম কুমাৰে কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। এই বক্তৃতা অনুষ্ঠানৰ সঞ্চালনা কৰে অসম জাতীয় বিদ্যালয়ৰ সচিব ড° নাৰায়ণ শৰ্মাই। মাতৃভাষা দিৱসৰ এই অনুষ্ঠানত ৰাজ্যখনৰ বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ গীত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী সুদিক্ষা পাটোৱাৰীয়ে।

অসমীয়া খবৰ ২২ ফেব্ৰুৱাৰী -২০১৮
পৃষ্ঠা নং ৮

শ্ৰেণী ........ শাখা ........ ফোন নম্বৰ

# 'Mother language can keep a nation vibrant'

STAFF REPORTER

GUWAHATI, Feb 22: International Mother Language Day (IMLD) was observed at the Noonmati-based Assam Jatiya Bidyalay here on February 21 along with the rest of the world, said a press release today.

Delivering the keynote address at the function held on the occasion, eminent scholar, renowned literary critic and writer Dr Hiren Gohain said mother language is as important to a child as his/her mother's milk and it is highly essential for a nation to keep itself vibrant. He laid stress on the importance of the consciousness of the citizens for safeguarding their own languages. He also urged the citizens to remain vigilant against the apathy of the government in this respect.

Another speaker Dr Dinesh Chandra Goswami laid emphasis on sticking to correct pronunciation and using the dictionary while teaching a language and applying it on a common platform. It is also important for the people of a particular language group to remain alert against the penetration of other languages into their own language, he said.

Editor of the popular Assamese fortnightly *Prantik* Pradip Baruah said in his address that learning through their mother tongues naturally helps the children to find their linguistic and cultural identities.

Celebrated poet Nilim Kumar enthralled the audience by reciting a few of his compositions. Dr Narayan Sarma, secretary of the Assam Jatiya Bidyalay management committee, anchored the programme.

The programme was organised by the Bidyalay as part of its year-long silver jubilee celebration that started on January 1 this year. The programme started with lighting of the ceremonial lamp by Ghanashyam Medhi, the Principal of the Bidyalay, which was followed by a silent prayer for eternal peace of the departed souls of those who embraced martyrdom to uphold their mother languages.

Ashim Krishna Baruah, a senior teacher of the Bidyalay's Department of Social Science explained the importance of the day to the audience present at the programme.

The Assam Tribune 22 FEBRUARY – 2018,
page No – 7

# মাতৃভাষা দিৱস উদ্‌যাপন

জাতীয় বিদ্যালয়ত

মহানগৰ বাতৰি সেৱা

নাৰেংগী, ২১ ফেব্ৰুৱাৰী ঃ 'মাতৃভাষা মাতৃদুগ্ধৰ দৰে এটা




জাতিৰ প্ৰাণ ৰক্ষাৰ অপৰিহাৰ্য অংগ' এই মন্তব্য বিশিষ্ট চিন্তাবিদ ডঃ হীৰেন গোহাঁইৰ। উল্লেখ্য যে মাতৃভাষা সংৰক্ষণ, সংবৰ্দ্ধন আৰু বহু ভাষাবাদৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা ইউনেস্কই ২০০০ চনৰপৰা ২১ ফেব্ৰুৱাৰীৰ দিনটো বিশ্বজুৰি পালন কৰি অহা আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস আজি গুৱাহাটী নৰমাটিৰ অসম জাতীয় বিদ্যালয়ত পালন কৰা হয়। এই দিৱসত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি এনেদৰে মন্তব্য কৰে বিশিষ্ট চিন্তাবিদ ডঃ গোহাঁয়ে। ডঃ গোহাঁয়ে লগতে কয়, যেনেদৰে গছ-গছনিৰ বাবে সূৰ্যৰ পোহৰ আৰু পানী কেঁচুৱাৰ বাবে মাতৃ দুগ্ধৰ প্ৰয়োজন ঠিক তেনেদৰে মাতৃভাষা হৈছে এটা জাতিৰ বাবে মেৰুদণ্ড স্বৰূপ। আনহাতে, যোগাযোগ অথবা আদান-প্ৰদানৰ মাজেৰেহে ভাষা এটা জীয়াই থাকে বুলি উল্লেখ কৰি ভাষা এটা চহকী হ'বলৈ হ'লে সমাজ আৰু চৰকাৰৰ সমানে দায়িত্ব আছে বুলি কয় ডঃ গোহাঁয়ে।

অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি আন এগৰাকী বক্তা তথা প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাই মাতৃ ভাষা সন্দৰ্ভত নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ বিশ্লেষণ কৰে। তদুপৰি অভিধান প্ৰণেতা তথা বিশিষ্ট বিজ্ঞান লেখক ডঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে অভিধান, উচ্চাৰণ আৰু বৰ্তমানৰ ধাৰাৰ সম্পৰ্কত ৰসাল ভাষণ দিয়ে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট কবি নীলিম কুমাৰে ৪টাকৈ কবিতা পাঠ কৰি অসমীয়া কবিতাৰ এক প্ৰান্তীয় চৰিত্ৰ আছে বুলি কয়।

বক্তৃতানুষ্ঠানৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। বিশ্বৰ বিভিন্ন প্ৰান্তত নিজৰ মাতৃভাষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ পবিত্ৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পিছতে মাতৃভাষা দিৱসৰ পটভূমি আৰু বৰ্তমান সময়ত মাতৃভাষাৰ প্ৰাসংগিকতা সন্দৰ্ভত ব্যাখ্যা কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। মাতৃভাষা দিৱসত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, ছাত্ৰ-ছাত্ৰীকে ধৰি সহস্ৰাধিক লোক উপস্থিত থাকে।

দৈনিক অসম ২২ ফেব্ৰুৱাৰী ২০১৮
পৃষ্ঠা নং ৭

## আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

# মাতৃভাষাই এটা জাতিৰ প্ৰাণৰক্ষা কৰে



আনহাতে, গুৱাহাটীস্থিত অসম জাতীয় বিদ্যালয়তো আজি মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মূল বক্তৃতা প্ৰদান কৰি বিশিষ্ট সমালোচক ড° হীৰেণ গোহাঁয়ে কয় যে মাতৃদুগ্ধই যিদৰে শিশুৰ প্ৰাণৰক্ষা কৰে, তেনেদৰে মাতৃভাষাই এটা জাতিৰ প্ৰাণৰক্ষা কৰে। অনুষ্ঠানত 'প্ৰান্তিক'ৰ সম্পাদক প্ৰদীপ বৰুৱা আৰু বিশিষ্ট বিজ্ঞান লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়েও বক্তব্য আগবঢ়ায়।

দৈনিক অগ্ৰদূত ২২ ফেব্ৰুৱাৰী ২০১৮
পৃষ্ঠা নং ৭

## মাতৃভাষা মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণৰক্ষাৰ বাবে অপৰিহাৰ্য ঃ অসম জাতীয় বিদ্যালয়ৰ অনুষ্ঠানত ড° হীৰেন গোহাঁই

স্টাফ ৰিপৰ্টাৰ, যোৰহাট, ২১ ফেব্ৰুৱাৰী ঃ প্ৰতিটো ভাষাই হ'ল মানৱ জাতিৰ জ্ঞানৰ ভঁৰাল। প্ৰতিটো জাতিৰ ভাষাত জ্ঞানৰ ভঁৰাল লুকাই থাকে আৰু সেই জ্ঞানৰ পৰা আন জাতিৰ ভাষিক লোকসকলো সমানে উপকৃত হয়। যদিহে এটা ভাষাৰ মৃত্যু ঘটে তেন্তে ই কেৱল সেই জাতিটোৰ বাবেই নহয় ৮ পৃষ্ঠাত

সমগ্ৰ বিশ্ববাসীৰ বাবেই ক্ষতি হয়

আমাৰ অসম ২২ ফেব্ৰুৱাৰী -২০১৮
পৃষ্ঠা নং - ২